NEWZ NOW

সংখ্যা ২৬ | বৃহস্পতিবাৰ, ১৯ নৱেম্বৰ ২০২৬ | অসমৰ ডিজিটেল বাতৰি কাকত

দেশ

২০৭০ চনত ভাৰতত হিন্দুৰ জনসংখ্যা হ্ৰাস পাব ৭৫.৮ শতাংশলৈ, বৃদ্ধি পাব মুছলমানৰ সংখ্যা : পিউৰ প্ৰক্ষেপণ

২০৭০ চনতো ভাৰতত ৭৫.৮ শতাংশ হিন্দু থাকিব পাৰে বুলি পিউ ৰিছাৰ্চ চেণ্টাৰে প্ৰক্ষেপণ কৰিছে। মুছলমানৰ অংশ ১৯.৬ শতাংশলৈ বৃদ্ধি পাব পাৰে।



NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৪৭

নতুন দিল্লী, ১৯ নৱেম্বৰ: ২০৭০ চনতো ভাৰতৰ মুঠ জনসংখ্যাৰ ৭৫ শতাংশতকৈ অধিক হিন্দু থাকিব পাৰে বুলি পিউ ৰিছাৰ্চ চেণ্টাৰে প্ৰক্ষেপণ কৰিছে। প্ৰতিষ্ঠানটোৰ শেহতীয়া গৱেষণা অনুসৰি, ২০২০ চনত দেশৰ জনসংখ্যাৰ ৭৯.৪ শতাংশ হিন্দু আছিল। ২০৭০ চনলৈ এই হাৰ ৭৫.৮ শতাংশলৈ হ্ৰাস পাব পাৰে যদিও হিন্দু জনসংখ্যাৰ মুঠ সংখ্যা বৃদ্ধি পাব।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4419

আন্তঃৰাষ্ট্ৰীয়

চীনত ট্ৰাম্প, ছি জিনপিং আৰু পুটিনৰ ঐতিহাসিক ত্ৰিপাক্ষিক বৈঠক; ইৰান যুদ্ধ, ইউক্ৰেইন আৰু বিশ্ব বাণিজ্যক লৈ চৰ্চা



বিশ্বৰ তিনিটা প্ৰভাৱশালী সামৰিক শক্তিৰ নেতা - আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প, চীনৰ ৰাষ্ট্ৰপতি ছি জিনপিং আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনে...
পঢ়ক: https://newznow.in/news/4352

আন্তঃৰাষ্ট্ৰীয়

২০৩৫ চনতে বিশ্বৰ সৰ্ববৃহৎ ধৰ্ম হ'ব পাৰে ইছলাম! খ্ৰীষ্টান ধৰ্মক অতিক্ৰম কৰাৰ সম্ভাৱনা



আন্তঃৰাষ্ট্ৰীয়, ১৯ নৱেম্বৰ: আগন্তুক দশকত বিশ্বৰ সৰ্বাধিক জনসংখ্যাৰ ধৰ্ম হিচাপে খ্ৰীষ্টান ধৰ্মক অতিক্ৰম কৰিব পাৰে ইছলামে।
পঢ়ক: https://newznow.in/news/4425

অসম

অসমত বৈধ টোলগেট মাত্ৰ তিনিখন! RTIৰ উত্তৰত NHAIৰ তথ্যক লৈ অসমীয়া যুৱ মঞ্চৰ বিস্ফোৰক দাবী



গুৱাহাটী, ১৯ নৱেম্বৰ: ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ আৰটিআই উত্তৰৰ ভিত্তিত অসমত মাত্ৰ তিনিখন টোলগেটহে বৈধভাৱে চলি থকা বুলি দাবী কৰিছে অসমীয়া যুৱ মঞ্চই।
পঢ়ক: https://newznow.in/news/4540

আন্তঃৰাষ্ট্ৰীয়

বাংলাদেশত পুনৰ ৰাজনৈতিক হিংসা, মুহাম্মদ ইউনুছৰ পৈতৃক বাসগৃহত অগ্নিসংযোগ; শান্তিৰ আহ্বান তাৰেক ৰহমানৰ



ঢাকা, ১৯ নৱেম্বৰ: বাংলাদেশত পুনৰ ৰাজনৈতিক হিংসা বৃদ্ধি পাইছে। চট্টগ্ৰামত প্ৰাক্তন অন্তৰ্বতীকালীন চৰকাৰৰ মুৰব্বী মুহাম্মদ ইউনুছৰ পৈতৃক বাসগৃহত অগ্নিসংয...
পঢ়ক: https://newznow.in/news/4347

ভিতৰৰ পাতত

ৰাজনীতি: ৰাহুল গান্ধী কংগ্ৰেছৰ বাবে বোজা: স...

আন্তঃৰাষ্ট্ৰীয়: মালয়েছিয়াত ভাৰতীয় নাগৰিকৰ ভিছা...

অসম: পঞ্চায়ত প্ৰতিনিধিৰ পাৰিতোষিক বৃদ্...

উত্তৰ-পূৰ্বাঞ্চল: ২০২৭ত বিশ্বৰ ২০টা শ্ৰেষ্ঠ পৰ্যটনস্...

ৰাজনীতি

ৰাহুল গান্ধী কংগ্ৰেছৰ বাবে বোজা: সমিক ভট্টাচার্য

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:০৭



কলকাতা, ১৯ নৱেম্বৰ: কংগ্ৰেছ নেতা ৰাহুল গান্ধীক দলটোৰ বাবে 'বোজা' আৰু 'দায়বদ্ধতা' বুলি অভিহিত কৰিছে পশ্চিম বংগ বিজেপিৰ সভাপতি সমিক ভট্টাচার্যই।

বুধবাৰে কলকাতাত বিজেপিৰ ৰাজ্যিক কার্যালয়ত সাংবাদিকসকলৰ লগত হোৱা কথা-বতৰাত ভট্টাচার্যই এই মন্তব্য কৰে। কংগ্ৰেছৰ নিজা নেতাসকলৰ মাজতো ৰাহুল গান্ধীৰ নেতৃত্বৰ ওপৰত আস্থা নাই বুলি তেওঁ অভিযোগ উত্থাপন কৰে।


শেহতীয়াকৈ আমেৰিকাৰ নিউয়র্কত অনুষ্ঠিত এক অনুষ্ঠানত ৰাহুল গান্ধীয়ে ভাৰতৰ অর্থনৈতিক পৰিস্থিতি সন্দর্ভত মন্তব্য কৰিছিল। দেশত বৃহৎ নিবনুৱা সমস্যা, উৎপাদন খণ্ড আৰু শিক্ষা ব্যৱস্থাৰ বিভিন্ন সমস্যাৰ কথা উল্লেখ কৰি ভাৰত সম্ভাৱ্য অর্থনৈতিক সংকটৰ দিশে আগবাঢ়িছে বুলি তেওঁ কৈছিল।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4431

আন্তঃৰাষ্ট্ৰীয়

মালয়েছিয়াত ভাৰতীয় নাগৰিকৰ ভিছা বিহীন প্ৰৱেশৰ সুবিধা বন্ধ, ২০২৭ৰ ১ জানুৱাৰীৰ পৰা বাধ্যতামূলক

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, আবেলি ৪:৪৮



নতুন দিল্লী, ১৯ নৱেম্বৰ: ভাৰতীয় নাগৰিকৰ বাবে মালয়েছিয়াত চলি থকা ভিছামুক্ত প্ৰৱেশৰ সুবিধা ২০২৬ চনৰ ৩১ ডিচেম্বৰত শেষ হ'ব। ২০২৭ চনৰ ১ জানুৱাৰীৰ পৰা মালয়েছিয়া ভ্ৰমণৰ পূর্বে ভাৰতীয় পাছপ'টধাৰীসকলে বৈধ ভিছা সংগ্ৰহ কৰাটো বাধ্যতামূলক হ'ব।

মালয়েছিয়াই ১৭ নৱেম্বৰত জাৰি কৰা জাননীৰ জৰিয়তে এই সিদ্ধান্তৰ কথা ঘোষণা কৰিছে। নতুন নিয়ম অনুসৰি, ২০২৭ চনৰ ১ জানুৱাৰীৰ পৰা দেশখনত প্ৰৱেশ কৰিব বিচৰা ভাৰতীয় নাগৰিকসকলে আগতীয়াকৈ ভিছাৰ ব্যৱস্থা কৰিব লাগিব।

ভিছাৰ বাবে ২০২৬ চনৰ ১ ডিচেম্বৰৰ পৰা মালয়েছিয়াৰ মাইভিছা অনলাইন পর্টেলৰ জৰিয়তে আবেদন কৰিব পাৰিব।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4467

অসম

পঞ্চায়ত প্ৰতিনিধিৰ পাৰিতোষিক বৃদ্ধি; অসম কেবিনেটৰ গুৰুত্বপূর্ণ সিদ্ধান্ত

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, নিশা ৮:০০



গুৱাহাটী, ১৯ নৱেম্বৰ: অসম চৰকাৰে পঞ্চায়তীৰাজ ব্যৱস্থাৰ নির্বাচিত প্ৰতিনিধিসকলৰ মাহিলি পাৰিতোষিক বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে। নতুন দিল্লীত অনুষ্ঠিত অসম কেবিনেটৰ বৈঠকত এই সিদ্ধান্ত লোৱা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4545

অসম

দুলীয়াজান ট্ৰিপল মার্ডাৰ: আৰক্ষীৰ ক্ৰাইম চিন ৰিক্ৰিয়েট

অভিজিৎ বিশ্বাস | ১৯ নৱেম্বৰ ২০২৬, নিশা ৭:১৩



দুলীয়াজান ট্ৰিপল মার্ডাৰ: তিনিচুকীয়াত আৰক্ষীৰ ক্ৰাইম চিন ৰিক্ৰিয়েট, শ্ৰীপুৰীয়া অভাৰ ব্ৰিজৰ সমীপৰ পৰা ছাতি আৰু কাপোৰ উদ্ধাৰসমগ্ৰ ৰাজ্যজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰা দুলীয়াজানৰ নৃশংস ট্ৰিপল মার্ডাৰ কাণ্ডৰ তদন্তই এক ন...

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4517

উত্তৰ-পূৰ্বাঞ্চল

২০২৭ত বিশ্বৰ ২০টা শ্ৰেষ্ঠ পৰ্যটনস্থানৰ তালিকাত মেঘালয়; ভাৰতৰ একমাত্ৰ স্থান হিচাপে BBCৰ স্বীকৃতি

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:০২



শ্বিলং, ১৯ নৱেম্বৰ: ২০২৭ চনত ভ্ৰমণৰ বাবে বিশ্বৰ ২০টা শ্ৰেষ্ঠ গন্তব্যৰ তালিকাত স্থান লাভ কৰিছে মেঘালয়ে। তালিকাখনত ভাৰতৰ একমাত্ৰ গন্তব্য হিচাপে স্থান পাইছে উত্তৰ-পূবৰ ৰাজ্যখন।

মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমাই কয় যে, ৰাজ্যখনৰ প্ৰকৃতি, সংস্কৃতি আৰু পৰম্পৰাগত পৰ্যটন অভিজ্ঞতাই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত পৰিচিতি লাভ কৰিছে। ফ্ৰান্সৰ বাৰ্গাণ্ডী, ইটালীৰ ছার্ডিনিয়া, নিউজিলেণ্ডৰ ক্ৰাইষ্টচাৰ্চ আৰু মাদাগাস্কাৰৰ দৰে গন্তব্যৰ সৈতে একেখন তালিকাত স্থান লাভ কৰিছে মেঘালয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4427

অসম

২০২৭ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ সময়সূচী প্ৰকাশ; ১২ মাৰ্চৰ পৰা আৰম্ভ পৰীক্ষা

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:২০



গুৱাহাটী, ১৯ নৱেম্বৰ: অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ২০২৭ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ সময়সূচী প্ৰকাশ কৰিছে। সূচী অনুসৰি ১২ মাৰ্চৰ পৰা আৰম্ভ হ'বলগীয়া পৰীক্ষা ৫ এপ্ৰিলত সামৰণি পৰিব।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4407

অসম

ডিচেম্বৰত ঘোষণা হ'ব মৰাণ-মটক পৰিষদৰ নিৰ্বাচনৰ দিন; লখিমপুৰত তিনিখন নতুন পৌৰসভা গঠনৰ সিদ্ধান্ত অসম কেবিনেটৰ

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, নিশা ৮:১০



নতুন দিল্লী, ১৯ নৱেম্বৰ: মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত অসম কেবিনেটৰ বৈঠকত মৰাণ আৰু মটক স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন, নতুন পৌৰসভা গঠন, ভূমি আৱণ্টন আৰু মিছন বসুন্ধৰা সন্দৰ্ভত কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰা হয়।

কেবিনেটৰ সিদ্ধান্ত অনুসৰি, আগন্তুক ডিচেম্বৰ মাহৰ ভিতৰতে মৰাণ আৰু মটক স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ব।

লখিমপুৰ জিলাৰ ঘিলামৰা, লালুক আৰু হাৰমতীত তিনিখন নতুন পৌৰসভা গঠন কৰা হ'ব। মাজুলীতো এখন নতুন পৌৰসভা গঠনৰ সিদ্ধান্ত লোৱা হৈছে।

ইয়াৰ উপৰি কাছাৰ জিলাৰ উদাৰবন্দ আৰু কামৰূপ জিলাৰ মিৰ্জা-বিজয়নগৰতো নতুন পৌৰসভা গঠন কৰা হ'ব।

মিছন বসুন্ধৰাৰ অধীনত নগৰ অঞ্চলৰ পৰিসীমা এক কিলোমিটাৰলৈ হ্ৰাস কৰাৰ সিদ্ধান্ত লোৱা হৈছে। নগৰৰ পৰিসীমাৰ এক কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত থকা অঞ্চলসমূহক নগৰীয়া হিচাপে গণ্য কৰা হ'ব।

টাউন কমিটীৰ মাষ্টাৰপ্লেনত অন্তৰ্ভুক্ত হোৱাৰ ভিত্তিত সমগ্ৰ অঞ্চলক নগৰীয়া বুলি গণ্য কৰা নহ'ব। নগৰীয়া মাষ্টাৰপ্লেনৰ অন্তৰ্ভুক্ত অংশৰ বাহিৰৰ এলেকাসমূহক গাঁও হিচাপে গণ্য কৰা হ'ব। অৱশ্যে কামৰূপ আৰু কামৰূপ (মহানগৰ) জিলাত এই সিদ্ধান্ত প্ৰযোজ্য নহ'ব।

বৈঠকত গোঁসাইগাঁও কৃষি গৱেষণা কেন্দ্ৰৰ বাবে ভূমি আৱণ্টনৰ সিদ্ধান্তও গ্ৰহণ কৰা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4549

উত্তৰ-পূর্বাঞ্চল

মণিপুৰত সেনা বাহনৰ দুর্ঘটনাত মৃতৰ সংখ্যা দুজনলৈ বৃদ্ধি

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫৯



ইম্ফল, ১৯ নৱেম্বৰ:

মণিপুৰত সংঘটিত দুর্ঘটনাত মৃত জোৱানৰ সংখ্যা দুজনলৈ বৃদ্ধি। বুধবাৰে ইম্ফলৰ লামলাই চালৌত সংঘটিত হৈছিল ভয়ংকৰ দুর্ঘটনাটো। চিকিৎসাধীন অৱস্থাত মৃত্যু মালি জয়েশ হিম্মত নামৰ জোৱানজনৰ। ঘটনাস্থলীতে মৃত্যু ঘটিছিল কেপ্টেইন হনুমান ৰামৰ। পূব ইম্ফলৰ নদীত পৰিছিল বিহাৰ ৰেজিমেণ্টৰ এখন বাহন। ঘটনাত আহত আন দুজন বর্তমানো চিকিৎসাধীন।

বুধবাৰে দুপৰীয়া প্রায় ২ বজাত অষ্টম বিহাৰ ৰেজিমেণ্টৰ জোৱানসকলক কঢ়িয়াই নিয়া এখন সেনাৰ বাহনে নিয়ন্ত্রণ হেৰুৱাই লামলাই চালৌ অঞ্চলৰ ইতাম নদীত বাগৰি পৰে।

বাকী অংশ ৰেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4463

অসম

শিৱসাগৰত নামফলকত অসমীয়া ভাষা ব্যৱহাৰৰ দাবী, ৩০ দিনৰ সময়সীমা

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২৭



শিৱসাগৰ, ১৯ নৱেম্বৰ:

ৰাজ্যৰ চৰকাৰী ভাষা আইন উলংঘা কৰি নাম ফলকত অসমীয়া ভাষা ব্যৱহাৰ নকৰা ব্যৱসায়িক প্রতিষ্ঠানসমূহৰ বিৰুদ্ধে আজি শিৱসাগৰত এক তীব্র অভিযান চলায় জাতীয় সংগ্রামী সেনা, অসমে। সংগঠনটোৰ নেতৃত্বই চহৰখনৰ বিভিন্ন প্রান্তত থকা ব্যৱসায়িক প্রতিষ্ঠানসমূহ পৰিদর্শন কৰি নাম ফলকসমূহ পৰীক্ষা কৰে।

নামফলকত অসমীয়া ভাষা ব্যৱহাৰ নকৰা ব্যৱসায়িক প্রতিষ্ঠানৰ বিৰুদ্ধে শিৱসাগৰত অভিযান চলাইছে জাতীয় সংগ্রামী সেনা, অসমে। সংগঠনটোৰ নেতৃত্বই চহৰখনৰ বিভিন্ন প্রান্তৰ ব্যৱসায়িক প্রতিষ্ঠান পৰিদর্শন কৰি নামফলকসমূহ পৰীক্ষা কৰে।

বাকী অংশ ৰেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4457

দেশ

দিল্লী বিমানবন্দৰৰ Terminal 3ত বলপূর্বক প্রৱেশৰ চেষ্টা; CISFৰ তৎপৰতাত আটক এজন

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২৫



নতুন দিল্লী, ১৯ নৱেম্বৰ: দিল্লীৰ ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্রীয় বিমানবন্দৰৰ টার্মিনেল ৩ত বলপূর্বক প্রৱেশৰ চেষ্টা কৰা এজন লোকক কেন্দ্রীয় ঔদ্যোগিক সুৰক্ষা বাহিনীয়ে চমুকৈ চিআইএছএফে আটক কৰিছে।

বাকী অংশ ৰেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4447

ৰাজনীতি

কনভয়ত কণী আৰু লাঠীৰে আক্রমণৰ অভিযোগ, BJP কর্মীৰ বিৰুদ্ধে সৰৱ TMC সাংসদ মহুৱা মৈত্রৰ

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:১৮




কলকাতা, ১৯ নৱেম্বৰ: পশ্চিম বংগৰ নদীয়া জিলাৰ কালীগঞ্জত তৃণমূল কংগ্রেছৰ সাংসদ মহুৱা মৈত্রৰ কনভয়ত আক্রমণৰ অভিযোগ উঠিছে।

বাকী অংশ ৰেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4443

অসম

ৰাছিয়ালৈ গৈ সন্ধানহীন কাছাৰৰ যুৱক; ৰাছিয়াৰ সেনাবাহিনীত যোগদানৰ সন্দেহ পৰিয়ালৰ

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:১৪



শিলচৰ, ১৯ নৱেম্বৰ: কর্মসংস্থাপনৰ সন্ধানত ৰাছিয়ালৈ যোৱাৰ পাছৰে পৰা সন্ধানহীন হৈ আছে কাছাৰ জিলাৰ এজন যুৱক। যুৱকজনে ৰাছিয়াৰ সেনাবাহিনীত যোগদান কৰা বুলি পৰিয়ালে সন্দেহ প্ৰকাশ কৰিছে।

সন্ধানহীন যুৱকজনৰ নাম আব্দুল মুক্তাদিৰ লস্কৰ। তেওঁ মুনা নামেৰেও পৰিচিত। কাছাৰ জিলাৰ সোণাই বিধানসভা সমষ্টিৰ অন্তৰ্গত তুলাৰ গ্ৰাম প্ৰথম খণ্ডৰ বাসিন্দা যুৱকজন ২৬ আগষ্টৰ পৰা পৰিয়ালৰ সৈতে যোগাযোগহীন হৈ আছে।

পৰিয়ালৰ লোকে জনোৱা মতে, তেওঁলোকৰ হাতত থকা এখন বিমানৰ টিকটত ১৪ জুলাইত মুম্বাইৰ পৰা বাকুৰ মাজেৰে মস্কোলৈ যাত্ৰাৰ তথ্য পোৱা গৈছে।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4439

আন্তঃৰাষ্ট্ৰীয়

চীনত মুখামুখি ট্ৰাম্প-পুটিন! 'মোৰ বন্ধু পুটিন' বুলি সম্বোধন ট্ৰাম্পৰ

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৩৫



শ্বেনঝেন, বৃহস্পতিবাৰ: চীনত অনুষ্ঠিত এপেক সম্মিলনৰ মাজতে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনে বৃহস্পতিবাৰে সাক্ষাৎ কৰে।

এপেক সম্মিলনৰ সমান্তৰালভাৱে অনুষ্ঠিত দ্বিপাক্ষিক বৈঠকৰ পূৰ্বে সাংবাদিকসকলৰ সৈতে কথা পাতি ট্ৰাম্পে পুটিনৰ সৈতে নিজৰ সম্পৰ্কক লৈ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ পুটিনক 'মোৰ বন্ধু' বুলি সম্বোধন কৰে।

ট্ৰাম্পৰ এই মন্তব্যৰ প্ৰত্যুত্তৰত পুটিনেও তেওঁক লগ পাই সন্তুষ্টি প্ৰকাশ কৰে।

ইউক্ৰেইন যুদ্ধক কেন্দ্ৰ কৰি আমেৰিকা আৰু ৰাছিয়াৰ মাজত চলি থকা কূটনৈতিক টনা-আঁজোৰাৰ পৰিপ্ৰেক্ষিত...

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4415

আন্তঃৰাষ্ট্ৰীয়

বহুমেৰুবিশিষ্ট বিশ্ব গঢ়াত ভাৰত-জাপানৰ সহযোগিতা গুৰুত্বপূৰ্ণ: জয়শংকৰ

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:১০



টকিঅ', ১৯ নৱেম্বৰ: বিশ্বৰ পৰিৱৰ্তিত ভূ-ৰাজনৈতিক পৰিস্থিতিৰ মাজত বহুমেৰুবিশিষ্ট এছিয়া আৰু বিশ্ব ব্যৱস্থা গঢ়ি তোলাৰ ক্ষেত্ৰত ভাৰত আৰু জাপানৰ সহযোগিতা গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰিছে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4435

দেশ

ইন্দিৰা গান্ধীৰ জন্মদিনত শ্ৰদ্ধাঞ্জলি প্ৰধানমন্ত্ৰী মোদীৰ; স্মৰণ ৰাহুল, প্ৰিয়ংকা আৰু খৰ্গেৰো

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:১১



নতুন দিল্লী, ১৯ নৱেম্বৰ: প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ জন্মজয়ন্তী উপলক্ষে বৃহস্পতিবাৰে তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4403

শিক্ষা

২৫ ফেব্রুৱাৰীৰ পৰা HSLC পৰীক্ষা, প্ৰ-পত্ৰ পূ�ৰণৰ সময় বৃদ্ধি

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, আবেলি ৬:৫১



১৯ নৱেম্বৰ, ২০২৬

২০২৭ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা ২৫ ফেব্রুৱাৰীৰ পৰা আৰম্ভ হ'ব। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা ব'ৰ্ডে পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণৰ সময়সীমাও বৃদ্ধি কৰিছে।

ব'ৰ্ডে ১৯ নৱেম্বৰ, ২০২৬ত জাৰি কৰা জাননী অনুসৰি, এইচএছএলচি পৰীক্ষাৰ অনলাইন প্ৰ-পত্ৰ পূৰণৰ প'ৰ্টেল ১৯ নৱেম্বৰৰ পৰা ২৩ নৱেম্বৰলৈ পুনৰ মুকলি থাকিব। এতিয়াও প্ৰ-পত্ৰ পূৰণৰ কাম সম্পূৰ্ণ নকৰা বিদ্যালয়সমূহক নিৰ্ধাৰিত সময়ৰ ভিতৰত প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

অনলাইন মাচুল জমা দিয়াৰ অন্তিম দিন ৩০ নৱেম্বৰ, ২০২৬। পৰীক্ষাৰ্থীসকলৰ বেংকৰ তথ্য প'ৰ্টেলত উন্নীত কৰিবলৈও বিদ্যালয়সমূহক ব'ৰ্ডে নিৰ্দেশ দিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4512

আন্তঃৰাষ্ট্ৰীয়

"আমি যি কৰিব পাৰোঁ, আন কোনো দেশে সেয়া কৰিব নোৱাৰে।" ; ছি জিনপিঙক ক'লে ট্ৰাম্পে

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:১৪



আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে চীনৰ সৈতে বাণিজ্যিক সম্পৰ্কত ভাৰসাম্য ঘূৰি অহা বুলি দাবী কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4356

দেশ

চিকিৎসকৰ বিবাহ সন্দৰ্ভত জাৰি কৰা নিৰ্দেশ প্ৰত্যাহাৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:০৯



গুৱাহাটী, ১৯ নৱেম্বৰ: স্নাতকোত্তৰ প্ৰশিক্ষণৰ সময়ছোৱাত বিবাহৰ দৰে ব্যক্তিগত জীৱনৰ গুৰুত্বপূৰ্ণ বিষয় পিছুৱাই ৰাখিবলৈ দিয়া নিৰ্দেশনা প্ৰত্যাহাৰ কৰিছে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ মেডিচিন বিভাগে। বিভাগটোৰ মুৰব্বী প্ৰশান্ত দিহিঙীয়াই ১৮ নৱেম্বৰত এই সন্দৰ্ভত নিৰ্দেশ জাৰি কৰাৰ কেইঘণ্টামানৰ ভিতৰতে নতুন নিৰ্দেশযোগে পূৰ্বৰ আদেশখন বাতিল কৰে।

নতুন নিৰ্দেশত স্পষ্টকৈ উল্লেখ কৰা হৈছে যে, মেডিচিন বিভাগৰ স্নাতকোত্তৰ প্ৰশিক্ষাৰ্থীসকলৰ আবাসিক প্ৰশিক্ষণকালত ব্যক্তিগত বিষয় সন্দৰ্ভত জাৰি কৰা পৰামৰ্শমূলক কাৰ্যাল...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4399

উত্তৰ-পূৰ্বাঞ্চল

মণিপুৰত নিষিদ্ধ সংগঠনৰ KYKL আৰু KCPৰ সৈতে জড়িত তিনিজনক গ্ৰেপ্তাৰ

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:০২



ইম্ফল, ১৯ নৱেম্বৰ: মণিপুৰ আৰক্ষীয়ে পৃথক অভিযান চলাই নিষিদ্ধ উগ্ৰপন্থী সংগঠন কাংলেই য়াওল কান্না লুপ আৰু কাংলেইপাক কমিউনিষ্ট পাৰ্টিৰ সৈতে জড়িত থকাৰ অভিযোগত তিনিজন লোকক গ্ৰেপ্তাৰ কৰিছে। ১৮ নৱেম্বৰত ইম্ফল পশ্চিম আৰু ইম্ফল পূব জিলাত এই অভিযান চলোৱা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4395

ৰাজনীতি

২০ কোটিৰো অধিক মূল্যৰ মাটি ইউছুফ পাঠানক আৱণ্টনৰ প্ৰস্তাৱত অনুমোদন বিজেপি শাসিত বডোদৰা পৌৰ নিগমৰ

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:০০



বডোদৰা, ১৯ নৱেম্বৰ: প্ৰাক্তন ক্ৰিকেটাৰ তথা তৃণমূল কংগ্ৰেছৰ সাংসদ ইউছুফ পাঠানক ২০ কোটি টকাতকৈ অধিক মূল্যৰ মাটি আৱণ্টনৰ প্ৰস্তাৱত অনুমোদন জনাইছে বিজেপি শাসিত বডোদৰা পৌৰ নিগমে। বুধবাৰে প্ৰায় চাৰি ঘণ্টা ধৰি চলা উত্তপ্ত বিতৰ্কৰ অন্তত সংখ্যাগৰিষ্ঠ ভোটেৰে প্ৰস্তাৱটো গৃহীত হয়।

প্ৰস্তাৱ অনুসৰি, মাটিখিনিৰ এটা অংশ পাঠানক উপহাৰ হিচাপে দিয়া হ'ব। আনটো অংশ বজাৰ মূল্যৰ প্ৰায় আধা দামত বিক্ৰী কৰা হ'ব। বিক্ৰীৰ বাবে নিৰ্ধাৰিত অংশটোৰ মূল্য ৫.৫২ কোটি টকা।

মাটিখিনিৰ সঠিক মূল্য আৰু পাঠানে পৰিশোধ কৰিবলগীয়া ধনৰ পৰিমাণ পৌৰ নিগমে পৰৱৰ্তী সময়ত তেওঁক আনুষ্ঠানিকভাৱে জনাব।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4391

অসম

নখুটীৰ পি এম শ্ৰী নখুটি হাইস্কুলত পৰিবেশ সজাগতা সভা অনুষ্ঠিত

Manoj Kumar pathak | ১৯ নৱেম্বৰ ২০২৬, নিশা ৭:২৭



নখুটীৰ পি এম শ্ৰী নখুটি হাইস্কুলত পৰিবেশ সজাগতা সভা অনুষ্ঠিত ।লংকাৰ উচ্চ শৈক্ষিক শিক্ষানুষ্ঠান কৃষ্ণ বৰা বি.এড.

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4530

ৰাজনীতি

আজম খানক পুনৰ জে'ললৈ পঠিওৱাৰ আবেদন নাকচ উচ্চতম ন্যায়ালয়ৰ; অন্তৰ্বৰ্তী জামিনত হস্তক্ষেপ নকৰিলে আদালতে

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৫২



নতুন দিল্লী, ১৯ নৱেম্বৰ: সমাজবাদী পাৰ্টিৰ জ্যেষ্ঠ নেতা আজম খানক পুনৰ কাৰাগাৰলৈ পঠিওৱাৰ বাবে প্ৰৱৰ্তন সঞ্চালকালয়ৰ চমুকৈ ইডিয়ে কৰা আবেদনত হস্তক্ষেপ কৰিবলৈ অস্বীকাৰ কৰিছে সৰ্বোচ্চ ন্যায়ালয়ে। ধন সৱৰাহৰ গোচৰত এলাহাবাদ উচ্চ ন্যায়ালয়ে প্ৰদান কৰা অন্তৰ্বৰ্তী জামিন বাহাল ৰাখি বৃহস্পতিবাৰে আদালতে এই সিদ্ধান্ত দিয়ে।

ন্যায়াধীশ এম এম সুন্দ্ৰেশ আৰু ন্যায়াধীশ প্ৰসন্ন বি বাৰালেৰে গঠিত বিচাৰপীঠে ইডিৰ আবেদন গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4383

অসম

যমুনাৰ পাছত তলাতল ঘৰ-কাৰেং ঘৰৰ বেদখল উচ্ছেদৰ দাবী আটাছুৰ

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, নিশা ৭:১২




নতুন দিল্লী, ১৯ নৱেম্বৰ: লুইতৰ পাৰৰ পৰা মিচিচিপিৰ বুকুলৈ নিজৰ সুৰ আৰু সৃষ্টিৰে বিশ্ববাসীৰ হৃদয় জয় কৰা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদযাপনৰ সামৰণি অনুষ্ঠানক লৈ এতিয়া উখল-মাখল দেশৰ ৰাজধানী নতুন দিল্লী।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4529

দেশ

ফৰ্চুনাৰৰ খুন্দাত ২ জনৰ মৃত্যু, আহত ৬

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, পুৱা ১১:২৮



দিল্লী, ১৮ নৱেম্বৰ:

তীব্ৰবেগী Toyota Fortuner-এ যাত্ৰীবাহী অটো ৰিক্সা (TSR)ত খুন্দা মৰাৰ ফলত দুজন লোকৰ মৃত্যু হোৱাৰ লগতে আহত হয় ৬ জনকৈ লোক ।

দিল্লীৰ কাশ্মীৰী গেট অঞ্চলৰ যুধিষ্ঠিৰ সেতুত তীব্ৰবেগী টয়োটা ফৰ্চুনাৰ গাড়ীয়ে যাত্ৰীবাহী অটোৰিক্সাত খুন্দা মৰাত দুজন লোকৰ মৃত্যু হৈছে। এই ঘটনাত আন ৬ জন লোক আহত হৈছে। ১৭ আৰু ১৮ নৱেম্বৰৰ মাজনিশা প্ৰায় ১ বজাত দুৰ্ঘটনাটো সংঘটিত হয়। তীব্ৰবেগী এছইউভিখনে অটোৰিক্সাখনত খুন্দা মৰাৰ পাছত পথৰ দাঁতিত থকা কেইবাজনো লোককো মহতিয়াই লৈ যায় বুলি জানিব পৰা গৈছে।

দুৰ্ঘটনাত মুঠ ৮ জন লোক আহত হয় আৰু তেওঁলোকক ততাতৈয়াকৈ চিকিৎসালয়লৈ লৈ যোৱা হয়। চিকিৎসাধীন অৱস্থাত দুজনৰ মৃত্যু হয়। অটোৰিক্সাখনত থকা তিনিজন যাত্ৰীৰ ভিতৰত দুজনৰ মৃত্যু হোৱাৰ বিপৰীতে আনজন চিকিৎসাধীন হৈ আছে।

পথৰ দাঁতিত আহত হোৱা আন লোকসকলক প্ৰাথমিক চিকিৎসা প্ৰদান কৰা হৈছে।

দুৰ্ঘটনা সংঘটিত কৰাৰ পাছতে ফৰ্চুনাৰখনৰ চালকজন ঘটনাস্থলীৰ পৰা পলায়ন কৰে। কাশ্মীৰী গেট আৰক্ষী থানাত প্ৰথমে তীব্ৰবেগী আৰু অসাৱধানতাৰে গাড়ী চলোৱা তথা আনৰ জীৱন বিপন্ন কৰি আঘাত কৰাৰ অভিযোগত গোচৰ ৰুজু কৰা হয়।

দুজন আহতৰ মৃত্যুৰ পাছত গোচৰটোত ভাৰতীয় ন্যায় সংহিতাৰ ১০৫ ধাৰা সংযোজন কৰা হৈছে। পলাতক চালকজনক চিনাক্ত কৰি গ্ৰেপ্তাৰ কৰিবলৈ দিল্লী আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4343

দেশ

খহি পৰিল দলং! দলং খহি খালত পৰিল দুখনকৈ ট্ৰাক, এখনত অগ্নিকাণ্ড

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, পুৱা ১১:১৮



পাটিয়ালা, ১৯ নৱেম্বৰ:

পাটিয়ালাত ভাক্ৰা খালৰ দলং খহি ভয়ংকৰ দুৰ্ঘটনা, আৱদ্ধ দুখন ট্ৰাক ।পঞ্জাবৰ পাটিয়ালা-সংগ্ৰুৰ বাইপাছৰ পাছিয়ানা গাঁৱৰ সমীপত ভাক্ৰা খালৰ ওপৰত থকা এখন লোহাৰ দলং পুৱতি নিশা খহি পৰে। সেই সময়ত দলংখন পাৰ হৈ থকা দুখন ট্ৰাক খহি পৰা অংশত আৱদ্ধ হয় আৰু এখন ট্ৰাকত জুই লাগে। পুৱা প্ৰায় ৫ বজাৰ পৰা ৫.৩০ বজাৰ ভিতৰত এই দুৰ্ঘটনা সংঘটিত হয়। প্ৰত্যক্ষদৰ্শী আৰু এজন ট্ৰাকচালকে জনোৱা অনুসৰি, দুৰ্ঘটনাৰ পূৰ্বে দলংখন কঁপি আছিল।

ঘটনাটোত এতিয়ালৈকে কোনো লোকৰ মৃত্যু হোৱাৰ খবৰ পোৱা হোৱা নাই। কিন্তু ট্ৰাক দুখনত থকা চালক, হেণ্ডিমেন আৰু শ্ৰমিকসহ কেইবাজনো লোক আহত হৈছে। উদ্ধাৰকাৰী দলে আহতসকলক উদ্ধাৰ কৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে।

দুৰ্ঘটনাৰ পাছতে অগ্নিনিৰ্বাপক বাহিনী ঘটনাস্থলীত উপস্থিত হৈ ট্ৰাকখনত লগা জুই নিৰ্বাপন কৰে। সু�ৰক্ষাজনিত কাৰণত প্ৰশাসনে দলংখনৰ দুয়োটা মূৰ বেৰিকেডেৰে বন্ধ কৰি দিছে। ফলত পাটিয়ালা-সংগ্ৰুৰ পথত যান-বাহনৰ চলাচল ব্যাহত হৈছে।

ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ অধীনস্থ দলংখন কি কাৰণত খহি পৰিল, সেই সন্দৰ্ভত আৰক্ষী আৰু প্ৰশাসনে তদন্ত আৰম্ভ কৰিছে। প্ৰাথমিক অনুসন্ধানত বালি ভৰ্তি অত্যাধিক ওজনৰ ট্ৰাক পাৰ হোৱাৰ ফলতে দলংখন খহি পৰাৰ সন্দেহ কৰা হৈছে।

প্ৰায় ১০ বছৰ পূৰ্বে, ২০১৬ চনত নিৰ্মাণ কৰা দলংখনৰ ভগ্ন অংশ কাৰিকৰী বিশেষজ্ঞ আৰু প্ৰাধিকৰণৰ বিষয়াসকলে পৰীক্ষা কৰিব।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4327

মনোৰঞ্জন

বৰঝাৰ বিমানবন্দৰত দৰ্শন ৰাৱল, শ্বিলঙৰ Cherry Blossom Festivalত সংগীত পৰিৱেশন কৰিব কণ্ঠশিল্পীজনে

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, আবেলি ৬:২৪



গুৱাহাটী, ১৯ নৱেম্বৰ:

বলীউডৰ জনপ্ৰিয় কণ্ঠশিল্পী দৰ্শন ৰাৱল বৃহস্পতিবাৰে গুৱাহাটীৰ বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত উপস্থিত হয়। বিমানবন্দৰৰ পৰা ওলাই অহাৰ সময়ত অনুৰাগীসকলে ফুলৰ থোপা আৰু অসমীয়া গামোচাৰে শিল্পীগৰাকীক উষ্ম আদৰণি জনায়।

২০ নৱেম্বৰত মেঘালয়ৰ শ্বিলঙত অনুষ্ঠিত হ'বলগীয়া চেৰী ব্লছম ফেষ্টিভেল ২০২৬ত সংগীত পৰিৱেশন কৰিব দৰ্শন ৰাৱলে। প্ৰথমবাৰৰ বাবে শ্বিলঙত অনুষ্ঠান পৰিৱেশন কৰিবলৈ পাই তেওঁ অত্যন্ত উৎসাহিত বুলি কণ্ঠশিল্পীগৰাকীয়ে প্ৰকাশ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4505

অসম

জাগুনত আৰক্ষীৰ বৃহৎ সফলতা! ৩১৮.৮৮ গ্ৰাম নিষিদ্ধ ড্ৰাগছসহ অৰুণাচলৰ এজন সৰবৰাহকাৰী আটক

শ্যাম যাদৱ | ১৯ নৱেম্বৰ ২০২৬, নিশা ৭:০৫




Newz Now সেৱা, জাগুন, ১৯ নৱেম্বৰ: নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে অবিৰত অভিযান আজিও অব্যাহত ৰাখিছে তিনিচুকীয়া জিলা আৰক্ষী প্ৰশাসনে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4525

অসম

বি এছ-৬ ব্যক্তিগত বাহনৰ পিইউচি প্ৰমাণপত্ৰৰ বৈধতাত নতুন নিয়ম

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, আবেলি ৬:৫৯



১৯ নৱেম্বৰ , ২০২৬

বি এছ-৬ শ্ৰেণীৰ ব্যক্তিগত বাহনৰ প্ৰদূষণ নিয়ন্ত্ৰণ প্ৰমাণপত্ৰ, অৰ্থাৎ পিইউচিৰ বৈধতাৰ সময়সীমা বাহনৰ বয়স অনুসৰি নিৰ্ধাৰণৰ নতুন নিয়ম প্ৰকাশ পাইছে। ইয়াৰ ফলত নতুন বাহনৰ গৰাকীয়ে সঘনাই পিইউচি প্ৰমাণপত্ৰ নবীকৰণ কৰাৰ পৰা সকাহ পাব।

প্ৰদত্ত তথ্য অনুসৰি, ছয় বছৰলৈ পুৰণি বি এছ-৬ ব্যক্তিগত বাহনৰ পিইউচি প্ৰমাণপত্ৰ এবাৰ লাভ কৰাৰ পাছত তিনি বছৰলৈ বৈধ থাকিব। অৰ্থাৎ, এনে বাহনৰ গৰাকীয়ে প্ৰতি ছমাহ বা বছৰৰ মূৰে মূৰে নতুনকৈ প্ৰমাণপত্ৰ উলিয়াব নালাগিব।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4521

স্বাস্থ্য

GMCHত প্ৰথমবাৰৰ বাবে সফল লিভাৰ ট্ৰান্সপ্লান্ট, সুস্থ হৈ ঘৰলৈ উভতিল দাতা-গ্ৰহীতা

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, আবেলি ৫:০৭



গুৱাহাটী, ১৯ নৱেম্বৰ:

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত প্ৰথমবাৰৰ বাবে সফলতাৰে সম্পন্ন হোৱা যকৃত সংৰোপণৰ পাছত দাতা আৰু গ্ৰহীতা দুয়োগৰাকী সুস্থ হৈ ঘৰলৈ উভতি গৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4492

অসম

লুইতৰ পৰা মিচিচিপিলৈ, সুধাকণ্ঠৰ সুৰেৰে মুখৰিত হ'ব দিল্লী

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, আবেলি ৫:০৬



নতুন দিল্লী, ১৯ নৱেম্বৰ: লুইতৰ পা�ৰৰ পৰা মিচিচিপিৰ বুকুলৈ নিজৰ সুৰ আৰু সৃষ্টিৰে বিশ্ববাসীৰ হৃদয় জয় কৰা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদযাপনৰ সামৰণি অনুষ্ঠানক লৈ এতিয়া উখল-মাখল দেশৰ ৰাজধানী নতুন দিল্লী। এই বিশেষ আয়োজনক কেন্দ্ৰ কৰি দিল্লীৰ ৰাজপথৰ পৰা ভাৰত মণ্ডপমলৈকে চৌদিশে দেখা গৈছে বিশাল বিশাল বেনাৰ-পোষ্টাৰ। দেশী-বিদেশী অতিথিৰ সমাগমৰ মাজতে ভাৰত মণ্ডপমত পূৰ্ণগতিত চলিছে অনুষ্ঠানৰ প্ৰস্তুতি।

ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ সামৰণি অনুষ্ঠান কেৱল এটা সাংস্কৃতিক কাৰ্যসূচী নহয়, ৰৱং অসমৰ ইতিহাস, ভাষা, সংস্কৃতি আৰু জাতীয় স্বাভিমানক বিশ্বৰ সন্মুখত তুলি ধৰাৰ এক বিশেষ উপলক্ষ হিচাপে বিবেচিত হৈছে। অসমৰ চহা জীৱন, মানুহৰ সুখ-দুখ, প্ৰেম, সম্প্ৰীতি আৰু মানৱতাৰ বাণীক নিজৰ গীতৰ মাজেৰে বিশ্বজনীন ৰূপ দিয়া শিল্পীগৰাকীৰ কালজয়ী সৃষ্টিক পুনৰ স্মৰণ কৰিবলৈ সাজু হৈছে ৰাজধানী।

দিল্লীৰ বিভিন্ন স্থানত লগোৱা বেনাৰ-পোষ্টাৰত সুধাকণ্ঠৰ জীৱন আৰু সৃষ্টিৰ প্ৰতি শ্ৰদ্ধা প্ৰকাশ পাইছে। ভাৰত মণ্ডপমত চলি থকা প্ৰস্তুতিয়ে অনুষ্ঠানটোৰ ব্যাপকতা আৰু গুৰুত্বৰ ইংগিত বহন কৰিছে। এই আয়োজনৰ জৰিয়তে অসমৰ সাংস্কৃতিক ঐতিহ্যক ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অধিক পৰিচিত কৰাৰ লক্ষ্যও প্ৰতিফলিত হৈছে।

ড° ভূপেন হাজৰিকাৰ সংগীতৰ পৰিসৰ কেৱল অসমৰ মাজতে সীমাবদ্ধ নাছিল। অসমৰ লোকজীৱন আৰু লোকসংস্কৃতিৰ উপাদানক বিশ্বসংগীতৰ সৈতে সংযোগ কৰি তেওঁ গঢ়ি তুলিছিল এক সুকীয়া সৃষ্টিশীল পৰিচয়। মিচিচিপি নদীৰ পাৰৰ সংগীত আৰু আফ্ৰিকান-আমেৰিকান সংগীতৰ প্ৰভাৱেও তেওঁৰ সৃষ্টিশীল যাত্ৰাত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4493

অসম

মাকুমৰ শুকানপুখুৰী চাহ বাগিচাত খাৰুৱা তেল চুৰিৰ টেপিং পইণ্ট উৎখাত

ৰাতুল ডেকা | ১৯ নৱেম্বৰ ২০২৬, আবেলি ৪:৫৮



তিনিচুকীয়া জিলাৰ মাকুম আৰক্ষী থানাৰ অন্তৰ্গত শুকানপুখুৰী চাহ বাগিচাত খাৰুৱা তেল চুৰিৰ বাবে স্থাপন কৰা এটা টেপিং পইণ্ট উৎখাত কৰে তিনিচুকীয়া আৰু মাকুম আৰক্ষীৰ এটা যুটীয়া দলে। আজি বিয়লি আৰক্ষীৰ বিশেষ সূত্ৰৰ পম খেদি চলোৱা অভিযানত শুকানপুখুৰী চাহ বাগিচাৰ কাষেৰে পাৰ হৈ যোৱা অইল ইণ্ডিয়া লিমিটেডৰ খাৰুৱা তেল পৰিবাহী পাইপত অবৈধভাৱে টেপিং কৰি ৰখা অৱস্থাত প্ৰত্যক্ষ কৰে আৰক্ষীয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4476

দেশ

আৰিয়িল শুকুৰ হত্যা গোচৰ: পি জয়ৰাজন, টি ভি ৰাজেশসহ ১৮জনক অভিযোগ মুক্ত

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, আবেলি ৪:৫৭



কোচি, ১৯ নৱেম্বৰ: ২০১২ চনৰ আৰিয়িল আব্দুল শুকুৰ হত্যা গোচৰত কেৰালাৰ এৰ্ণাকুলমৰ বিশেষ চিবিআই আদালতে চিপিআই(এম)ৰ জ্যেষ্ঠ নেতা পি জয়ৰাজন আৰু টি ভি ৰাজেশসহ ১৮জন অভিযুক্তক বৃহস্পতিবাৰে অভিযোগমুক্ত কৰিছে।

একেটা গোচৰতে আদালতে চিপিআই(এম)ৰ ১৩জন সদস্যক দোষী সাব্যস্ত কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4484

আন্তঃৰাষ্ট্ৰীয়

খাদ্যৰ সন্ধানত অৰণ্যৰ পৰা ওলাই আহিল প্ৰায় ২০জন আওয়া আদিবাসী

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, আবেলি ৪:৪৩



ব্ৰাজিল, ১৯ নৱেম্বৰ: ব্ৰাজিলৰ আমাজন বৰ্ষাৰণ্যত বাহিৰৰ সমাজৰ পৰা বিচ্ছিন্ন হৈ বাস কৰি অহা আওয়া জনগোষ্ঠীৰ প্ৰায় ২০জন লোক অৰণ্যৰ পৰা ওলাই এখন গাঁৱত উপস্থিত হয়। সোমবাৰে সংঘটিত এই ঘটনাক আদিবাসী অধিকাৰ সংগঠন ছাৰ্ভাইভেল ইণ্টাৰনেচনেলে ঐতিহাসিক যোগাযোগ বুলি অভিহিত কৰিছে।

লোকসকলে উত্তৰ-পূব ব্ৰাজিলৰ মাৰানিয়াও ৰাজ্যৰ আৰাৰিবোইয়া আদিবাসী অঞ্চলৰ এখন গাঁৱত উপস্থিত হৈ চৰকাৰী প্ৰতিনিধিৰ সৈতে যোগাযোগ স্থাপন কৰে। এই অঞ্চলত গুৱাজাজাৰা জনগোষ্ঠীৰ লোকসকলৰো বসতি আছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4479

দেশ

সিন্ধু জল চুক্তি প্ৰসংগত পাকিস্তানৰ 'অপপ্ৰচাৰ'ৰ অভিযোগ ভাৰতৰ

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, আবেলি ৪:০৪



ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ এক অনানুষ্ঠানিক বৈঠকত সিন্ধু জল চুক্তিৰ প্ৰসংগ উত্থাপনক লৈ পাকিস্তানৰ তীব্ৰ সমালোচনা কৰিছে ভাৰতে। ভাৰতৰ স্থায়ী প্ৰতিনিধি পাৰ্বথানেনি হৰিশে কয়, প্ৰাকৃতিক সম্পদ আৰু সংঘাত বিষয়ক আলোচনাক পাকিস্তানে নিজা প্ৰচাৰ চলোৱাৰ বাবে অপব্যৱহাৰ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4461

অসম

ৰাস মহোৎসৱলৈ মাত্ৰ তিনিদিন, প্ৰস্তুতিত ব্যস্ত সত্ৰনগৰী মাজুলী

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৫৯



ৰাস মহোৎসৱলৈ মাত্ৰ তিনিদিন বাকী থকা অৱস্থাত সত্ৰনগৰী মাজুলীত ব্যাপক প্ৰস্তুতি চলিছে। খোল-তাল, বৰগীত আৰু বাঁহীৰ সুৰেৰে মুখৰিত হৈ পৰিছে নদীদ্বীপটোৰ আকাশ-বতাহ।

২০২৬ চনৰ ২৩ নৱেম্বৰৰ পৰা ২৬ নৱেম্বৰলৈ মাজুলীত ৰাস মহোৎসৱ উদ্‌যাপন কৰা হ'ব। মূল ৰাস পূৰ্ণিমা ২৪ নৱেম্বৰত পৰিছে। মহোৎসৱ উপলক্ষে মাজুলী জিলা প্ৰশাসনে ২৫ নৱেম্বৰ, বুধবাৰে জিলাখনত স্থানীয় বন্ধ ঘোষণা কৰিছে।

এইবাৰ মাজুলীৰ ৬৫টা ৰংগমঞ্চৰ লগতে ১২খন সত্ৰত ৰাস মহোৎসৱ অনুষ্ঠিত হ'ব।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4453

অসম

ডুমডুমাত বনৰীয়া হাতীৰ আক্ৰমণত ৬০ বছৰীয়া লোকৰ মৃত্যু

সুৱজিৎ চৌধুৰী | ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:২৫



ডুমডুমা: তিনিচুকীয়া জিলাৰ ডুমডুমাৰ তাৰা চাহ বাগিচাৰ অন্তৰ্গত নাহৰজান গাঁৱত বনৰীয়া হাতীৰ আক্ৰমণত এজন ৬০ বছৰীয়া লোকৰ মৃত্যু হয়। বৃহস্পতিবাৰে পুৱা সংঘটিত এই ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত শোক আৰু চাঞ্চল্যৰ সৃষ্টি হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/4411

অসম

৪৮ ঘণ্টীয়া কর্মবিৰতি তথা চকাবন্ধ কার্যসূচীক সমর্থন নজনায় ছেভেন ষ্টেট টুৰিষ্ট কেব অপাৰেটর্ছ ইউনিয়নে

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৪০


SEVEN STATE TOURIST CAB OPERATORS UNION
ছেভেন ষ্টেট টুৰিষ্ট কেব অপাৰেটর্ছ ইউনিয়ন
Sawkuchi, Guwahati-781040 শৈকুচি, গুৱাহাটী
President Estd. : 2023 Regd. No. General Secretary
Ref. No. SSTCOU/315/2026 Date: 19-11-2026
প্রেছ বিজ্ঞপ্তি
৪৮ ঘণ্টীয়া কর্মবিৰতি তথা চকাবন্ধ কার্যসূচীক সমর্থন নজনায়
ছেভেন ষ্টেট টুৰিষ্ট কেব অপাৰেটর্ছ ইউনিয়নে

গুৱাহাটী, ১৯ নৱেম্বৰ: অসমৰ বেচৰকাৰী মটৰ শ্রমিক সন্থা আৰু মটৰ মালিক সন্থাসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ আহ্বানত ২০ নৱেম্বৰ, ২০২৬ৰ পুৱা ৬ বজাৰ পৰা ২২ নৱেম্বৰ, ২০২৬ৰ পুৱা ৬ বজালৈ অনুষ্ঠিত হ'বলগীয়া ৪৮ ঘণ্টীয়া কর্মবিৰতি তথা চকাবন্ধ কার্যসূচীক সমর্থন নজনোৱাৰ কথা স্পষ্ট কৰিছে ছেভেন ষ্টেট টুৰিষ্ট কেব অপাৰেটর্ছ ইউনিয়নে।

ইউনিয়নৰ সভাপতি ইছমাইল আলীয়ে জনায় যে, উক্ত সময়ছোৱাত পর্যটক বাহনৰ মালিক-চালকসকলৰ লগতে বিভিন্ন ট্রেভেল এজেঞ্চীৰ বাহনসমূহে ভাৰতৰ বিভিন্ন ৰাজ্যত পর্যটক কঢ়িয়াই ভ্রমণ কৰি আছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4379

অসম

Guns N' Roses ৰ অনুষ্ঠানৰ পাছত গুৱাহাটীত যান-বাহন আৰক্ষীক প্রহাৰ, ৩জন গ্রেপ্তাৰ

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:২৭



গুৱাহাটী, ১৯ নৱেম্বৰ:

গুৱাহাটীৰ খানাপাৰাত Guns N' Rosesৰ সংগীতানুষ্ঠানৰ পাছত কর্তব্যৰত যান-বাহন আৰক্ষীৰ কনিষ্টবলক প্রহাৰ কৰাৰ অভিযোগক লৈ চাঞ্চল্য। ঘটনাটোৰ সৈতে জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে তিনিজন লোকক গ্রেপ্তাৰ কৰিছে।

খানাপাৰাত গানছ এন' ৰ'জৰ সংগীতানুষ্ঠানৰ পাছত কর্তব্যৰত যান-বাহন আৰক্ষীৰ কনিষ্টবলক প্রহাৰ কৰাৰ অভিযোগত আৰক্ষীয়ে তিনিজন লোকক গ্রেপ্তাৰ কৰিছে। আহত কনিষ্টবল টিংকুমণি ডেকা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে।

১৭ নৱেম্বৰৰ নিশা খানাপাৰাৰ শনি মন্দিৰৰ সমীপত এই ঘটনা সংঘটিত হয়।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4367

অসম

জুবিন গার্গৰ কালজয়ী সৃষ্টি 'মায়াবিনী' বিকৃত ৰূপত পৰিৱেশন কৰি ৰাইজৰ ৰোষত স্বয়ম্ভূ গায়ক

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৩৩



তেজপুৰ, ১৯ নৱেম্বৰ: প্রয়াত সংগীতশিল্পী জুবিন গার্গৰ জন্মদিন উপলক্ষে তেজপুৰত অনুষ্ঠিত এক অনুষ্ঠানত তেওঁৰ জনপ্রিয় গীত 'মায়াবিনী' পৰিৱেশনক কেন্দ্র কৰি বিতর্কৰ সৃষ্টি হয়। গীতটোৰ পৰিৱেশনশৈলী আৰু মূল সুৰ সলনি কৰাৰ অভিযোগত উপস্থিত দর্শকৰ একাংশই আপত্তি উত্থাপন কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4372

অসম

দুচকীয়া বাহনৰ দুর্ঘটনাত মৃতকৰ ৬০.১% হেলমেটবিহীন আৰোহী: মুখ্যমন্ত্রী

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:২৩



দুচকীয়া বাহনৰ চালক আৰু আৰোহীৰ বাবে হেলমেট পৰিধানৰ নিয়ম কঠোৰভাৱে বলৱৎ কৰাৰ সিদ্ধান্ত লৈছে ৰাজ্য চৰকাৰে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4360

অসম

বান সাহায্যৰ তালিকাক লৈ নামতিৰ পুৰণি লোণপুৰীয়াত তীব্ৰ অসন্তুষ্টি।

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:২৪



১৯ নৱেম্বৰ, ২০২৬ নামতি:

বান সাহায্যৰ তালিকাক লৈ নামতিৰ পুৰণি লোণপুৰীয়াত ক্ষোভ ৰাইজৰ।মুখ্যমন্ত্রীৰ বান সাহায্যৰ এককালীন ১৫ হাজাৰ টকাৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ বহু বানাক্রান্ত পৰিয়ালৰ।

আনহাতে, ক্ষতিগ্রস্ত পৰিয়ালৰ বাবে প্রকাশিত সাহায্যৰ তালিকাত গাঁও প্রধান আৰু ৱার্ড সদস্যৰ নাম অন্তর্ভুক্ত হোৱাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে।

শিৱসাগৰ জিলাৰ নাজিৰা সমষ্টিৰ অন্তর্গত পুৰণি লোণপুৰীয়া গাঁৱত চৰকাৰী বান সাহায্যৰ হিতাধিকাৰীৰ তালিকাক লৈ তীব্ৰ অসন্তুষ্টি দেখা দিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4363

অসম

'মু তাই' বিতর্কত মোৰ কোনো সম্পর্ক নাই: যোগেন মহন

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, নিশা ৮:১৪



মৰাণ, ১৯ নৱেম্বৰ: তাই আহোম জনগোষ্ঠীৰ পৰিচয়ক লৈ শেহতীয়াকৈ সৃষ্টি হোৱা বিতর্কৰ মাজতে নিজৰ স্থিতি স্পষ্ট কৰিলে প্রাক্তন মন্ত্রী তথা ৰাজ্যসভাৰ সাংসদ যোগেন মহনে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4553

ক্রীড়া

'TIME100 Next India 2026'ৰ তালিকাত অন্তর্ভুক্ত উত্তৰ-পূবৰ তিনি ব্যক্তিত্বৰ নাম

NewzNow ডেস্ক | ১৯ নৱেম্বৰ ২০২৬, আবেলি ৫:৪৮



১৯ নৱেম্বৰ:

'TIME100 Next India 2026'ৰ তালিকাত উত্তৰ-পূবৰ তিনি ব্যক্তিত্ব।

'টাইম১০০ নেক্সট ইণ্ডিয়া ২০২৬' তালিকাত উত্তৰ-পূবৰ তিনিগৰাকী ব্যক্তিত্বই স্থান লাভ কৰিছে। তেওঁলোক হৈছে অসমৰ অলিম্পিক পদক বিজয়ী বক্সাৰ লাভলীনা বৰগোহাঁই, মণিপুৰৰ ভাৰোত্তোলক মীৰাবাই চানু আৰু নাগালেণ্ডৰ চলচ্চিত্র নির্মাতা থেজা ৱিঅ'।

ভাৰতৰ ভৱিষ্যৎ গঢ় দিয়াৰ সম্ভাৱনা থকা ১০০গৰাকী উদীয়মান ব্যক্তিত্বক লৈ তালিকাখন প্রস্তুত কৰা হৈছে। ক্রীড়া আৰু চলচ্চিত্র জগতলৈ আগবঢ়োৱা অৱদানৰ স্বীকৃতি হিচাপে উত্তৰ-পূবৰ এই তিনিগৰাকী ব্যক্তিত্বই তালিকাত স্থান লাভ কৰিছে।

লাভলীনা বৰগোহাঁইয়ে টকিঅ' অলিম্পিকত ব্রঞ্জৰ পদক লাভ কৰি অসমৰ প্রথমগৰাকী অলিম্পিক পদক বিজয়ী হিচাপে ইতিহাস ৰচিছিল। ২০২৩ চনত ৭৫ কেজি শাখাত বিশ্ব বক্সিং চেম্পিয়নৰ খিতাপ অর্জন কৰাৰ লগতে হাংঝৌ এছিয়ান গেমছত ৰূপৰ পদক লাভ কৰিছিল। ২০২৬ চনৰ এছিয়ান গেমছতো তেওঁ সোণৰ পদক অর্জন কৰিছে বুলি প্রদান কৰা তথ্যত উল্লেখ আছে।

লাভলীনাৰ পৰিচয়মূলক লিখনিত ক্রীড়া সাংবাদিক শাৰদা উগ্রাই তেওঁক অসমৰ সৈতে গভীৰ সম্পর্ক থকা এগৰাকী খেলুৱৈ বুলি অভিহিত কৰিছে।

অলিম্পিকৰ ৰূপৰ পদক বিজয়ী, বিশ্ব চেম্পিয়ন আৰু কমনৱেলথ গেমছৰ একাধিক পদক বিজয়ী মীৰাবাই চানুৱেও তালিকাত স্থান লাভ কৰিছে। ভাৰতীয় ভাৰোত্তোলনক নতুন পৰিচয় দিয়াত তেওঁ গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/4501